মনোৰঞ্জন

Netflixত পাকিস্তানী ছবি-ধাৰাবাহিক সম্প্রচাৰ নকৰিবলৈ কেন্দ্রীয় চৰকাৰৰ কঠোৰ নির্দেশ

পাকিস্তানী ধাৰাবাহিকক লৈ বিতর্কৰ মাজতে Netflixক পাকিস্তানী সমল ভাৰতত সম্প্রচাৰ নকৰিবলৈ কেন্দ্রীয় চৰকাৰে নির্দেশ দিছে।

প্রকাশ: ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১২



নতুন দিল্লী, ২৬ নৱেম্বৰ: পাকিস্তানী অভিনেতা ফৱাদ খান আৰু মাহিৰা খান অভিনীত এখন নতুন ৱেব ছিৰিজক লৈ সৃষ্টি হোৱা বিতর্কৰ মাজতে Netflixক ভাৰতত পাকিস্তানত নির্মিত কোনো ছবি বা ধাৰাবাহিক সম্প্রচাৰ নকৰিবলৈ পুনৰ নির্দেশ দিছে কেন্দ্রীয় চৰকাৰে। কেন্দ্রীয় তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ে অ'টিটি মঞ্চটোক ২০২৫ চনৰ ৮ মে'ত জাৰি কৰা নির্দেশনাৱলী কঠোৰভাৱে মানি চলিবলৈ সোঁৱৰাই দিয়ে।

'Jo Bachay Hain Sang Samait Lo' নামৰ পাকিস্তানী ধাৰাবাহিকখন ভাৰতত সম্প্রচাৰ হোৱাৰ সম্ভাৱনাক লৈ তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ত কেইবাটাও অভিযোগ আৰু আবেদন দাখিল হৈছিল। ইয়াৰ পাছতে কেন্দ্রীয় চৰকাৰে Netflixক তেওঁলোকৰ পূর্বৰ প্রতিশ্রুতি অক্ষুণ্ণ ৰাখিবলৈ নির্দেশ দিয়ে। ফাৰহাত ইশতিয়াকৰ জনপ্রিয় উর্দু উপন্যাসৰ আধাৰত আৰু মোমিনা দুৰাইদৰ পৰিচালনা তথা প্রযোজনাত নির্মিত এই প্রেমৰ কাহিনীটোৱেই Netflixৰ প্রথমখন উর্দু ভাষাৰ মৌলিক ধাৰাবাহিক। ধাৰাবাহিকখনত ফৱাদ খান আৰু মাহিৰা খানৰ উপৰি হানিয়া আমিৰ, আহাদ ৰাজা মীৰ, ইক্রা আজিজ আৰু ছানাম ছঈদে অভিনয় কৰিছে। অহা ২০২৬ চনৰ ৪ ডিচেম্বৰত ধাৰাবাহিকখন বিশ্বজুৰি মুক্তি পোৱাৰ কথা যদিও ভাৰতত ইয়াৰ সম্প্রচাৰ হ'ব নে নহয়, সেয়া এতিয়াও

স্পষ্ট হোৱা নাই।

২০২৫ চনৰ জুন মাহত Netflix কর্তৃপক্ষই মন্ত্রালয়ক আনুষ্ঠানিকভাৱে জনাইছিল যে ভাৰতৰ গ্ৰাহকসকলৰ বাবে পাকিস্তানত নিৰ্মিত কোনো ছবি বা ধাৰাবাহিক উপলব্ধ কৰা হোৱা নাই। কেন্দ্ৰীয় মন্ত্ৰালয়ে মঞ্চটোক সেই প্ৰতিশ্ৰুতি পুনৰ পালন কৰিবলৈ নিৰ্দেশ দিছে।

ইয়াৰ পূৰ্বে পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰত আৰু পাকিস্তানৰ মাজত উত্তেজনা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ২০২৫ চনৰ ৮ মে'ত অ'টিটি মঞ্চ আৰু ডিজিটেল সেৱা প্ৰদানকাৰীসকলক পাকিস্তানত নিৰ্মিত সকলো ধৰণৰ সমল প্ৰদৰ্শন বন্ধ কৰিবলৈ পৰামৰ্শ জাৰি কৰিছিল।

এই বিতৰ্কৰ মাজতে অল ইণ্ডিয়া চিনে ৱৰ্কাৰ্ছ এছ'চিয়েচন (AICWA) আৰু ফেডাৰেচন অৱ ৱেষ্টাৰ্ণ ইণ্ডিয়া চিনে এম্প্লয়িজ (FWICE)-এ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ প্ৰেৰণ কৰি এই ধাৰাবাহিকখনৰ ভাৰতত সম্প্ৰচাৰ সম্পূৰ্ণৰূপে বন্ধ কৰাৰ দাবী জনায়। AICWAৰ সভাপতি সুৰেশ শ্যামলাল গুপ্তাই ২৪ নৱেম্বৰত প্ৰধানমন্ত্ৰীলৈ লিখা পত্ৰত পাকিস্তানী ছবি, শিল্পী আৰু প্ৰযোজনাৰ ওপৰত ভাৰতীয় চিনেমা, টেলিভিছন আৰু অ'টিটি মঞ্চত স্থায়ী আইনী নিষেধাজ্ঞা আৰোপ কৰিবলৈ আহ্বান জনায়। ইয়াৰ পিছদিনাই FWICEয়েও একেধৰণৰ দাবী উত্থাপন কৰে।

পাকিস্তানী মনোৰঞ্জনমূলক অনুষ্ঠানক লৈ সৃষ্টি হোৱা এই বিৰোধিতাৰ প্ৰভাৱ আন অনুষ্ঠানতো পৰিছে। বেংগালুৰুত ২৮ নৱেম্বৰ আৰু ৫ ডিচেম্বৰত প্ৰদৰ্শন হ'বলগীয়া আন এখন পাকিস্তানী ধাৰাবাহিক 'Dar-e-Nijaat'ৰ দুটা ব্যক্তিগত প্ৰদৰ্শনী সামাজিক মাধ্যমত তীব্ৰ প্ৰতিবাদৰ পাছত বাতিল কৰা হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6559/netflix-pakistani-content-ban-india-centre-notice